**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-03-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

----------------------------

সদ্য সমাপ্ত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সমাজ বিজ্ঞান বিষয়ৰ উত্তৰবহীত পৰিক্ষাৰ্থীসকলক অতিৰিক্ত নম্বৰ প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সমাজ বিজ্ঞানৰ প্ৰশ্নকাকতখন জটিল হোৱা বুলি বৰপেটা, বৰদোৱা ভ্ৰমণ কৰাৰ সময়ত তেওঁক শিক্ষাৰ্থীসকলে ওজৰ-আপত্তি দিছিল। শিক্ষাৰ্থীসকলৰ এই অভিযোগৰ ভিত্তিত তেওঁ বিষয়টো পৰ্যালোচনা কৰিবলৈ ছেবাৰ অধ্যক্ষক পৰামৰ্শ দিয়া বুলি উল্লেখ কৰিছে।

০০০০০০

ৰাষ্ট্ৰীয় শিক্ষা নীতি অনুসৰি এতিয়াৰে পৰা শৈক্ষিক বৰ্ষৰ আৰম্ভণিতে শিক্ষাৰ্থীয়ে ৰিপ'ৰ্ট কাৰ্ড লাভ কৰিব বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰিছে। পূৰ্বে অগ্ৰাধিকাৰ খতিয়ান তথা ৰিপোৰ্ট কাৰ্ড বছৰৰ শেষত দিয়া হৈছিল যদিও বিগত বৰ্ষত এই পৰম্পৰা তথা প্ৰক্ৰিয়া সলনি কৰি ২০২৫-২৬ শিক্ষাবৰ্ষৰ আৰম্ভণিতে শিক্ষাৰ্থীক ৰিপ'ৰ্ট কাৰ্ড দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। শিক্ষা মন্ত্ৰী ডাঃ পেগুৱে এই কথা স্পষ্ট কৰি দিয়ে যে, চৰকাৰে ধনৰ অভাৱত নহয়, বৰং সমগ্ৰ শিক্ষাই চৰকাৰী ই-মাৰ্কেটিং জেম প'ৰ্টেলৰ জৰিয়তে সামগ্ৰীসমূহৰ সংগ্ৰহ প্ৰক্ৰিয়া দীঘলীয়া হোৱা বাবেহে শিক্ষাৰ্থীক শিক্ষা বৰ্ষৰ আৰম্ভণিতে অগ্ৰগতিৰ খতিয়ান তথা ৰিপোৰ্ট কাৰ্ড দিয়াত বিলম্ব হৈছিল।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কাছাৰত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে ২৬ কোটি টকা ব্যয় সাপেক্ষ শিলচৰ আৰ্বত ভৱনৰ আধাৰশিলা স্থাপন কৰিব। এছ্ এম দেৱ অসামৰিক চিকিৎসালয়ত ৫০ খন বিছনাযুক্ত ক্ৰিটিকেল কেয়াৰ ব্লক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই প্ৰকল্পটোৰ মুঠ ব্যয় ২৪ কোটি টকা ধাৰ্য কৰা হৈছে।

০০০০০০

চৰকাৰে প্ৰকৃত হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনা লাভ কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিছে। মীন, পশুপালন আৰু গড়কাপ্তানী বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে কালি হাইলাকান্দিৰ আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা সভাত এইকথা প্ৰকাশ কৰে। কাইলৈৰ পৰা ৰাজ্যৰ প্ৰায় ৪ লাখ নতুন প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰীক ঘৰ নিৰ্মাণৰ বাবে প্ৰথম কিস্তি প্ৰদান কৰা হ'ব। এই হিতাধিকাৰীসকলৰ ভিতৰত হাইলাকান্দিৰো প্ৰায় ১০ হাজাৰ লোক আছে। কালিৰ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি মন্ত্ৰী শ্ৰীপালে কয়, যে চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ জিঅ' টেগিং প্ৰক্ৰিয়াত নতুন প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈ লৈছে। এই বৈঠকত হাইলাকান্দিৰ বিধায়ক জাকিৰ হুছেইনল লস্কৰ, জিলা আয়ুক্ত এন এছ্ গৌতমৰ লগতে জিলা প্ৰশাসনৰ আন আন বিষয়াসকলক উপস্থিত থাকে।

০০০০০০

চৰাইদেউ মৈদামত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে শৰাই উচৰ্গা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ৪২ খন শৰাই উচৰ্গা কৰি স্বৰ্গদেউ চাওলু চুকাফাকে ধৰি ৩৯ গৰাকী স্বৰ্গদেউৰ পুন্যাত্মা আৰু

তেওঁলোকৰ আৰাধ্য দেৱতাক স্মৰণ কৰা হয়। প্ৰতি বছৰে ফাগুন মাহৰ কৃষ্ণাচতুৰ্থী তিথিত এই শৰাই উচৰ্গা অনুষ্ঠানৰ আয়োজন কৰি অহা হৈছে। পৰম্পৰাগতভাৱে পালন কৰি অহা এই স্মৃতি তৰ্পণ অনুষ্ঠানে এইবাৰ ৭৪ বৰ্ষত ভৰি দিছে। কালি বিভিন্ন কাৰ্যসূচীৰ পাছত আজি টাই পৰম্পৰাগত ৰীতি-নীতিৰে বান্‌ফি পূজা সম্পন্ন কৰাৰ লগতে ৪২ খন পায়সৰ শৰাই উচৰ্গা কৰা হয়।

০০০০০০

পৰিৱেশ আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কালি অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ এটা মোবাইল এপ্লিকেচন মুকলি কৰে। ৰাষ্ট্ৰীয় তথ্য বিজ্ঞান কেন্দ্ৰৰ সহযোগত প্ৰস্তুত কৰা এপ্লিকেচনটোৱে ৰাজ্যখনত উদ্যোগ আৰু প্ৰকল্পসমূহ স্থাপনৰ বাবে সন্মতি প্ৰদান আৰু বিভিন্ন কাৰ্যকলাপ চলাই নিয়াৰ বাবে পৰিৱেশ সম্পৰ্কীয় দিশসমূহ নিৰীক্ষণৰ ব্যৱস্থা কৰিব। স্বচ্ছতা বৰ্তাই ৰাখি এই এপটোৰ দ্বাৰা বহণক্ষম ঔদ্যোগিক উন্নয়ন নিশ্চিত কৰাৰ লক্ষ্য লোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ সোণালী জয়ন্তী বৰ্ষ উপলক্ষে ২০২৪ বৰ্ষৰ **চীফ মিনিষ্টাৰ্ছ গ্ৰীণ ফেল'শ্বিপ প্ৰ'গ্ৰামৰ** অধীনত লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ ৩ গৰাকী ছাত্ৰী ইউৰোপৰ ক্ৰ'ৱেচিয়াৰ জচিপ জুৰাজ, স্ক্ৰ'চমায়াৰ অচিজেক বিশ্ববিদ্যালয়লৈ পৰিৱেশ বিষয়ক হ্ৰস্বকালীন প্ৰশিক্ষণৰ বাবে নিৰ্বাচিত হৈছে। মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আৰু পৃষ্ঠপোষক **এডুপেকড** সংস্থাৰ এনে পদক্ষেপৰ বাবে লখিমপুৰ বালিকা মহাবিদ্যালয়ে সংশ্লিষ্ট ব্যক্তি আৰু কৰ্তৃপক্ষৰ শলাগ লৈছে। এই সুবিধা লাভ কৰা ছাত্ৰীকেইগৰাকী হৈছে- ৰিবিকা চুংক্ৰাং, সোণমণি কামাণ আৰু চন্দ্ৰাণী গোস্বামী।

০০০০০০

মঞ্চ, অনাতাঁৰ আৰু চলচ্চিত্ৰৰ যশস্বী অভিনেত্ৰী বীণা প্ৰসাদৰ স্মৃতিত পৰিয়াল আৰু গুণমুগ্ধসকলে প্ৰদান কৰি অহা উৎকৰ্ষ বঁটা ২০২৪ বৰ্ষৰ বাবে অভিনেত্ৰী জুৰী শৰ্মালৈ আগবঢ়োৱা হৈছে। অহা ৩০ মাৰ্চত গুৱাহাটীৰ নিউ আৰ্ট প্লেয়াৰছৰ সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত সন্ধিয়া এই বঁটা প্ৰদান কৰা হ'ব। বিশিষ্ট সাহিত্যিক ড০ তিলোত্তমা মিশ্ৰই অভিনেত্ৰীগৰাকীক এই বঁটা প্ৰদান কৰিব।

০০০০০০

ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত ডিব্ৰুগড়ৰ কেন্দ্ৰীয় কাৰাগাৰত বন্দী হৈ থকা সাংসদ অমৃত পাল সিঙৰ লগতে সাতজন সহযোগীক ডিব্ৰুগড়ৰ পৰা পঞ্জাবলৈ স্থানান্তৰ প্ৰক্ৰিয়া কালি আৰম্ভ হয়। কালি অমৃত পাল সিঙৰ তিনিজন সহযোগীক মুকলি কৰি দিয়া হয়। লোক কেইজনক অসম চিকিৎসা মহাবিদ্যালয়ত স্বাস্থ্য পৰীক্ষা কৰোৱাৰ পাছত ডিব্ৰুগড় আদালতত হাজিৰ কৰি পুনৰ কেন্দ্ৰীয় কাৰাগাৰলৈ লৈ যোৱা হয়। ইয়াৰ পাছতে তেওঁলোকৰ স্থানান্তৰৰ প্ৰক্ৰিয়া আৰম্ভ হয়। আজি দুজন আৰু কাইলৈ তিনিজন বন্দীক মুকলি কৰি দিয়া হ'ব বুলিও জানিব পৰা গৈছে। তেওঁলোকক দুদিন ধৰি ডিব্ৰুগড়ত বাহৰ পাতি থকা ২৫ জনীয়া পঞ্জাব আৰক্ষীৰ দলে পুনৰ পঞ্জাবলৈ লৈ যোৱাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ হোৱা সিং আৰু তেওঁৰ ৯ জন সহযোগীৰ ভিতৰত ৭ জনৰ ওপৰত বলবৎ থকা এই আইন শিথিল কৰাৰ বাবে পঞ্জাব চৰকাৰে সিদ্ধান্ত লৈছে।

০০০০০০

**সমাপ্ত**